# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-FEB-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
### Headlines
------------------

১।	সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত গুৱাহাটীত নিৰ্বাচন আয়োগৰ দল আৰু ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়া, জিলা নিৰ্বাচনী বিষয়াৰ মাজত গুৰুত্বপূৰ্ণ বৈঠক।

২।	জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি।

৩।	বিশিষ্ট কবি, নাট্যকৰ্মী ৰফিকুল হোছেইনৰ জানাজা বোকাখাতত সম্পন্ন।

**আৰু**

৪।	৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কেৰালাক হৰুৱাই চাৰ্ভিচেছৰ খিতাপ অৰ্জন।

ooooo

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত নিৰ্বাচন আয়োগৰ এটা দলে আজি গুৱাহাটীত ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়া তথা জিলা নিৰ্বাচনী বিষয়াসকলৰ সৈতে কেইবালানি আলোচনাত মিলিত হয়। উপ-নিৰ্বাচন আয়ুক্ত মণিষ গাৰ্গ নেতৃত্বাধীন চাৰিজনীয়া দলটোৱে প্ৰথমে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনাত ভাগ লয়। বৈঠকত অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়াকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। এই আলোচনাৰ পাছতে দলটোৱে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতেও সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। দলটোৱে ৰাজ্য চৰকাৰৰ মুখ্যসচিব, আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা পৰিদৰ্শক, প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, সীমান্ত সুৰক্ষা বাহিনী আৰু অন্য নিৰাপত্তাৰক্ষী সংস্থাসমূহৰ সৈতে সুৰক্ষাৰ বিষয়লৈ আলোচনা কৰে। অহা ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে।

ooooo

জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ তিনিদিনীয়াকৈ অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। আজি অন্তিম দিনা হাজাৰ হাজাৰ ভকত-বৈষ্ণৱৰ সমাগমে সমগ্ৰ অঞ্চলটোক আধ্যাত্মিক জনসমুদ্ৰলৈ ৰূপান্তৰ কৰে। পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, প্ৰাতঃভ্ৰমণ আৰু নাম প্ৰসংগৰ জৰিয়তে অন্তিম দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ হয়। ইয়াৰ পাছতেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই নৌকা আৰ্হিৰ বেদীত সংঘৰ মূল পতাকা উত্তোলন কৰে। অন্তিম দিনটোৰ আকৰ্ষণীয় কাৰ্যসূচী ভাগৰত যাত্ৰাত

হাজাৰ হাজাৰ ভকত-বৈষ্ণৱ, আই মাতৃয়ে অংশগ্ৰহণ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰে হংসযানত উঠি শোভাযাত্ৰাত ভাগ লয়। সংঘৰ উপদেষ্টা কমলাকান্ত গগৈয়ে দুপৰীয়া অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে। সংঘৰ পদাধিকাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশন সন্দৰ্ভত আয়োজক সমিতিৰ সদস্যই এইদৰে কয়-

(বাইট)

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত তিনিদিনীয়াকৈ বিকশিত ভাৰত শীৰ্ষক সংহত যোগাযোগ আৰু প্ৰচাৰ কাৰ্যসূচীৰ লগতে মাল্টিমিডিয়া প্ৰদৰ্শনীৰ আয়োজন কৰা হয়।

০০০০০

বিশিষ্ট নাট্যকাৰ তথা নাট্যশিল্পী, কবি, পৰিচালক, ৰফিকুল হোছেইনৰ জানাজা আজি বিয়লি বোকাখাতত সম্পন্ন কৰা হয়। ইয়াৰ পূৰ্বে বোকাখাত নাট্যমন্দিৰত নাট্যশিল্পীগৰাকীৰ নশ্বৰদেহত বহু গুণমুগ্ধই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নাট্যকাৰ-সাহিত্যিকগৰাকীৰ দেহাৱসান ঘটে। তেওঁৰ বয়স আছিল ৭২ বছৰ। উচ্চ ৰক্তচাপজনিত ষ্ট্ৰ'কত আক্ৰান্ত হৈ শিল্পী হোছেইন বিগত এসপ্তাহ ধৰি চিকিৎসাধীন হৈ আছিল।

০০০০০

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত আজি প্ৰশাসন আৰু বন বিভাগে উচ্চেদ অভিযান চলায়। বনাঞ্চলৰ প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে অঞ্চলটোত বসবাস কৰা ৯৯৫ টা পৰিয়াললৈ ইতিপূৰ্বে জাননী জাৰি কৰা হৈছিল। জাননী লাভ কৰাৰ পাছতে অধিকাংশ লোকে স্বেচ্ছাই সেই স্থান পৰিত্যাগ কৰে। বাকী থকা পৰিয়ালসমূহ উচ্ছেদ কৰাৰ বাবে আজিৰেপৰা উচেচদ অভিযান চলোৱা হৈছে। উচ্ছেদ অভিযানত প্ৰায় ৩০০ বনকৰ্মী, ৪০ জন শ্ৰমিক আৰু ৪৫ খন বুলডজাৰ ব্যৱহাৰ কৰা হৈছে। তিনি দিনৰ ভিতৰত উচ্ছেদ অভিযান সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে।

০০০০০

ঢকুৱাখনা উন্নয়ন খণ্ডৰ অন্তৰ্গত মাটমৰা পঞ্চায়তত আজি বিধায়ক নৱ কুমাৰ দলে এটা অতিথিশালা উদ্বোধন কৰে। ৫০ লাখ টকা ব্যয়েৰে এই অতিথিশালাটো নিৰ্মাণ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ঢকুৱাখনা সম জিলা আয়ুক্ত অপূৰ্ব কুমাৰ নাথ, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ বড়োকে ধৰি মাটমৰা জিলা পৰিষদৰ সদস্যসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত অহা ১০ ফেব্ৰুৱাৰীৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ ফাইলেৰিয়া নিৰ্মূলকৰণ ঔষধ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলা চিকিৎসা বিভাগৰ অন্তৰ্গত বিশ্বনাথ আৰু বিহালীত প্ৰতিবছৰৰ দৰে এইবাৰো ফাইলেৰিয়া ৰোগৰ ঔষধ বিতৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত কালি জিলা মেলেৰিয়া বিষয়া ডাঃ এলিজা ডেকাই এখন সংবাদমেলৰ আয়োজন কৰে। বিষয়াগৰাকীয়ে সংবাদমেলৰ এই ৰোগৰ বিষয়ে সবিশেষ প্ৰকাশ কৰি জনসাধাৰণক ইয়াৰ প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

বাইট

০০০০০

প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ অধীনত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যোৱা ৩১ ডিচেম্বৰলৈকে ৩ লাখ ২৩ হাজাৰ ৬৪৫ টা বাসগৃহ নিৰ্মাণ কৰা হৈছে। বিভাগীয় সূত্ৰত প্ৰকাশ পোৱা অনুসৰি কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী নগৰীয়া

আবাস যোজনাৰ অধীনত বাসগৃহ নিৰ্মাণৰ বাবে মোকলাই দিয়া ৫ হাজাৰ ৪৪৩ দশমিক ৯ - ২ কোটি টকাৰ ভিতৰত ৫ হাজাৰ ১২৩ দশমিক ৮ কোটি টকা নিৰ্মাণকাৰ্যত ব্যয় কৰা হৈছে। অসম চৰকাৰৰ বাবে সৰ্বাধিক ১ লাখ ৬৯ হাজাৰ ৬২৬ টা বাসগৃহৰ অনুমোদন দিয়া হৈছিল আৰু ইয়াৰে ১ লাখ ৪৪ হাজাৰ ৫৭ টা বাসগৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ডিমা হাচাও জিলাত অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ জমা দিবলৈ ডিমা হাচাও জিলা প্ৰশাসনে নিৰ্দেশ জাৰি কৰিছে। হাফলং বিধানসভা সমষ্টিত শান্তি-শৃংখলা বজাই ৰাখিবলৈ জিলা আয়ুক্তগৰাকীয়ে এই নিৰ্দেশ দিয়ে। বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ বাহিৰে সকলো অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ নিকটৱৰ্তী আৰক্ষী থানাত জমা দিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০

শিৱসাগৰৰ দিখৌমুখৰ আজানপীৰ দৰগাহত আয়োজিত বাৰ্ষিক সমূহীয়া দোৱা আৰু জিয়াৰৎ অনুষ্ঠানৰ আজি সামৰণি পৰে। অনুষ্ঠান উপলক্ষে আজানপীৰ দৰগাহত যথেষ্ট সংখ্যক লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। মুছলমান ধৰ্মাৱলম্বী লোকৰ লগতে আন ধৰ্মৰ লোকেও আজানপীৰৰ দৰগাহত দোৱা আগবঢ়ায়। আজি অনুষ্ঠিত মুকলি সভাত বিধায়ক প্ৰদীপ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুকলি সভাত শিক্ষাবিদ দীপালি চলিহাই সৰাগুৰিৰ আজান শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ পংকজ জ্যোতি হাজৰিকাই সৰাগুৰি সুবাস নামৰ আন এখন গ্ৰন্থ উন্মোচন কৰে। মুকলি সভাত প্ৰকৃতিপ্ৰেমী অনুপ পাটকাই, ইছলামিক পণ্ডিত অতিকুৰ ৰহমান, নিবন্ধকাৰ আশ্ৰফুল যাচিন হুছেইন উপস্থিত থাকে।

০০০০০

শিৱসাগৰৰ গড়গাঁও নিবাসী, ক্ৰীড়া সংগঠক অমৰজ্যোতি গগৈৰ আজি পুৱতি নিশা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৬ বছৰ। ফুটবল কোচিং চেণ্টাৰ গড়গাঁৱৰ প্ৰতিষ্ঠাতা গগৈৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন খেলত নিউজিলেণ্ডে আফগানিস্তানক ৫উইকেটত পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ১৮৩ ৰান নিউজিলেণ্ডে ১৩ টা বল বাকী থকা অৱস্থাত পাঁচটা উইকেট হেৰুৱাই সংগ্ৰহ কৰি লয়। দলৰ হৈ টীম ছেইফাৰ্টে ৬৫ আৰু গ্লেন ফিলিপছে ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে আফগানিস্তানে প্ৰথম বেট ধৰি নিৰ্ধাৰিত অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ দ্বিতীয়খন খেলত ইংলেণ্ডে নেপালক জয়ৰ বাবে ১৮৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। একেদৰে সন্ধিয়া ৭ বজাত কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হ'বলগীয়া আজিৰ তৃতীয়খন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত